অসমীয়া

প্ৰশ্নকাকত—I

(সাহিত্য)

নির্ধাৰিত সময় : 3 ঘণ্টা	সর্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নির্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবোৰ মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE

PAPER—I

(LITERATURE)

Time Allowed : Three Hours	Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

(a) ভাৰতীয় আৰ্যভাষাত অসমীয়া ভাষাৰ স্থান নিৰ্ধাৰণ কৰাঁ।

(b) অসমীয়া শব্দসম্ভাৰত বিদেশীমূলীয় শব্দসম্ভাৰৰ স্থান উদাহৰণসহ নিৰ্ণয় কৰাঁ।

(c) বুৰঞ্জীৰ গদ্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

(d) কামৰূপীয়া উপভাষাৰ ধ্বনিগত বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা যুগুতোৱাঁ।

(e) গড়গঞা, বামুণীয়া আৰু কাইথেলী লিপিৰ বিষয়ে একোটাকৈ চমু টোকা প্ৰস্তুত কৰাঁ।

2. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) অসমীয়া ভাষাৰ বিকাশত পালি, প্ৰাকৃত, অপভ্ৰংশ স্তৰসমূহৰ বিস্তৃতভাৱে আলোচনা কৰাঁ। 20

(b) অসমীয়া গদ্য-সাহিত্যৰ জনক হিচাপে ভট্টদেৱৰ গদ্যৰ বিশ্লেষণ কৰাঁ। 15

(c) অসমীয়া লিপিৰ সৈতে ব্ৰাহ্মী আৰু কুটিল লিপিৰ সম্পৰ্ক বিচাৰ কৰাঁ। 15

3. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী ব্যঞ্জনধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰি সিহঁতৰ প্ৰয়োগ উদাহৰণসহ দেখুওৱাঁ। 20

(b) কামৰূপীয়া উপভাষাৰ মান্য অসমীয়া ভাষাৰ লগত থকা মিল-অমিলসমূহ উদাহৰণসহ আলোচনা কৰাঁ। 15

(c) নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু বহুবচনাত্মক প্ৰত্যয় বুলিলে কি বুজা? অসমীয়া ভাষাত এই দুয়ো ধৰণৰ প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ বুজাই লিখাঁ। 15

4. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) ''অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ বুলিলে এক ব্যাপক ক্ষেত্ৰ বুজায়।'' এই কথাষাৰৰ প্ৰাসংগিকতা উদাহৰণসহ বিশ্লেষণ কৰাঁ। 20

(b) শব্দ-বিভক্তিৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ। 15

(c) অসমীয়া ধ্বনি বিজ্ঞানত দ্বিস্বৰ আৰু শ্ৰুতিধ্বনিৰ ভূমিকা নিৰূপণ কৰাঁ। 15

Optional Province · optionalprovince.com

SECTION—B

5. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

(a) ''সাহিত্য সমালোচনাৰ এটি উল্লেখনীয় দিশ হৈছে পঢ়ুৱৈৰ ৰুচিবোধৰ সংস্কাৰসাধন বা এই ক্ষেত্ৰত নতুন উপলব্ধি বা ধাৰণাৰ উদ্ৰেককৰণ।'' কথাষাৰ ব্যাখ্যা কৰাঁ।

(b) চৰ্যাপদৰ বিষয়বস্তু সম্পৰ্কে এটি আভাস দিয়াঁ।

(c) নাটকৰ সংলাপ-বিষয়ক এটি টোকা যুগুতোৱাঁ।

(d) প্ৰকৃতিক বিষয়বস্তু হিচাপে লৈ কাব্যচৰ্চা কৰা যি কোনো এগৰাকী ৰোমাণ্টিক কবিৰ কাব্য-কৃতিৰ বিষয়ে আলোচনা কৰাঁ।

(e) পুৰণি অসমীয়া সাহিত্যৰ সমালোচক হিচাপে বাণীকান্ত কাকতিৰ অৱদান-বিষয়ক এটি নিবন্ধ প্ৰস্তুত কৰাঁ।

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) অসমীয়া উপন্যাসৰ বিকাশৰ বিভিন্ন স্তৰসমূহৰ এটি পৰ্যালোচনা দাঙি ধৰাঁ। 20

(b) আধুনিক অসমীয়া ভাষা-সাহিত্যলৈ খৃষ্টান মিশ্যনেৰীসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰাঁ। 15

(c) জীৱনী-সাহিত্যৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়োৱাঁ। 15

7. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) অসমীয়া নাট্য-সাহিত্যৰ সমালোচনাত সমালোচক সত্যেন্দ্ৰ নাথ শৰ্মাৰ স্থান নিৰ্ধাৰণ কৰাঁ। 20

(b) ''সমালোচকসকলে সাহিত্য কৰ্মক নিজৰ মনৰ মাজত পুনৰ-নিৰ্মাণ কৰে।'' কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ। 15

(c) আধুনিক অসমীয়া কাব্য-সাহিত্যত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি নিবন্ধ লিখাঁ। 15

Optional Province · optionalprovince.com

8. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) চুটিগল্পৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰাঁ। 20

(b) মাধৱদেৱে ৰচনা কৰা গীতসমূহৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰাঁ। 15

(c) আৱাহন যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰাঁ। 15

★★★

Optional Province · optionalprovince.com